# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 06-06-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নতুন মন্ত্ৰীসভাৰ শপত গ্ৰহণৰ বাবে প্ৰস্তুতি অব্যাহত আছে। উল্লেখযোগ্য যে লোকসভাৰ ৫৪৩ খন আসনৰ ভিতৰত বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা অৰ্থাৎ এন ডি এই ২৯৩ খন আসন লাভ কৰি তৃতীয়বাৰৰ বাবে ক্ষমতা দখলৰ দিশে আগবাঢ়িছে। কালি প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ লগতে মন্ত্ৰীসভাৰ সদস্যসকলৰ পদত্যাগ পত্ৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক দাখিল কৰিছিল। ৰাষ্ট্ৰপতিগৰাকীয়ে পদত্যাগ পত্ৰ গ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীক নতুন চৰকাৰ গঠন নোহোৱা পৰ্যন্ত কাৰ্যভাৰ চলাই নিবলৈ আহ্বান জনাইছিল। এই শপত গ্ৰহণ অনুষ্ঠানত প্ৰতিবেশী ৰাষ্ট্ৰ শ্ৰীলংকা, বাংলাদেশ, ভূটান, নেপাল আৰু মৰিছাছৰ ৰাষ্ট্ৰপ্ৰধান নাইবা চৰকাৰৰ মুৰববীয়ে অংশগ্ৰহণ কৰিব। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ শপতগ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ বাবে কাইলৈ বিয়লি নতুন দিল্লীত উপস্থিত হ'ব আৰু শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰি পুনৰ ৯ জুনত ঢাকালৈ উভতি যাব। ফোনযোগে হোৱা বাৰ্তালাপত শ্ৰীমোদীয়ে বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীক শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনায়।

ইপিনে, শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰণিল উইক্ৰেমসিংহেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানলৈ জনোৱা আমন্ত্ৰণৰ প্ৰতি সঁহাৰি জনাইছে। ফোন কলৰ উপৰি এটা সামাজিক মাধ্যমৰ বাৰ্তাত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে অলপতে হৈ যোৱা নিৰ্বাচনত এন ডি এ চৰকাৰে সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ বাবে আৰু একেৰাহে তৃতীয়বাৰৰ বাবে নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ বাবে অভিনন্দন জনায়।

00000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধক্ষ্যতাত আজি অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকত অহা নৱেম্বৰৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি প্ৰতিখন পঞ্চায়ত আৰু জিলা পৰিষদ যাতে দুটা বিধানসভা সমষ্টিৰ অন্তৰ্গত নহয়, এই কথাত গুৰুত্ব আৰোপ কৰা হ'ব। লোকসভা নিৰ্বাচনৰ পূৰ্বে অৰুণোদয় আঁচনি ৰাজ্যখনৰ সৰ্বাধিক সংখ্যক লোকৰ মাজলৈ লৈ যোৱাৰ বাবে দিয়া প্ৰতিশ্ৰুতি পূৰণৰ বাবে কেনেধৰণে বা কিমান সংখ্যক লোকক ইয়াৰ দ্বাৰা সামৰি লোৱা হ'ব, সেই সন্দৰ্ভত চালি-জাৰি চোৱাৰ বাবেও সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ বাবে মন্ত্ৰী অজন্তা নেওগ, ডাঃ ৰণোজ পেগু, বিমল বৰা, কেশৱ মহন্ত আৰু ৰঞ্জিত কুমাৰ দাসক লৈ এখন কেবিনেট উপ-সমিতি গঠন কৰি এই আঁচনি ৰূপায়ণ কৰিবলৈ ৰাজ্যখনৰ বিত্তীয় ব্যৱস্থা কিমানদূৰ সমৰ্থ হ'ব, সেইবিষয়ে এমাহৰ ভিতৰত পৰামৰ্শ দাখিলৰ নিৰ্দেশ দিয়া হৈছে। চৰাইদেউক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদানৰ বাবে পৰামৰ্শদান সমিতিয়ে ইতিমধ্যে ইউনেস্ক'লৈ ইতিবাচক প্ৰতিবেদন প্ৰেৰণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা মাহত ভাৰতৰ অধ্যক্ষতাত নতুন দিল্লীত ইউনেস্ক'ৰ বৈঠক অনুষ্ঠিত হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত নতুন দিল্লীত থকা ইউনেস্ক'ৰ প্ৰতিখন সদস্যৰাষ্ট্ৰৰ দূতাবাসৰ সৈতে ৰাজ্য চৰকাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত যোগাযোগ কৰিব বুলি কেবিনেটত সিদ্ধান্ত লোৱা হয়। আজিৰ কেবিনেটত দূৰদৰ্শনযোগে মহাবীৰ লাচিত বৰফুকনৰ জীৱন সম্পৰ্কে ৫২ টা খণ্ডত সম্প্ৰচাৰ কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু প্ৰসাৰ ভাৰতীয়ে ১০ কোটি টকাকৈ ব্যয় কৰাৰ বাবে স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তিত অনুমোদন জনোৱা হয়। নিযুত মইনা আঁচনিৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰীসকলক ১০ আৰু ১২ হাজাৰ টকাকৈ প্ৰদান সন্দৰ্ভত সকলো দিশ চালি-জাৰি চাই সাদিনৰ ভিতৰত অৱগত কৰিবলৈ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু চন্দ্ৰমোহন পাটোৱাৰীক বৈঠকত দায়িত্ব অৰ্পণ কৰা হৈছে। মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাই ৫০ হাজাৰ টকা পৰ্যন্ত দিয়াৰ সিদ্ধান্ত অহা আগষ্টতে ৰূপায়ণ কৰাৰ বাবেও বৈঠকত কোৱা হৈছে। আনহাতে, ১৫ লাখ ব্যক্তিক নতুনকৈ ৰেচন কাৰ্ড প্ৰদানৰ বাবে বৈঠকত সিদ্ধান্ত লোৱা হয়। আজিৰ বৈঠকত ৰাজ্যখনৰ বান পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবেও বিভিন্ন ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইফালে, আত্মনিৰ্ভৰ অসম আঁচনিৰ অধীনত ঋণৰ বাবে আবেদন কৰা ৩০ হাজাৰ গৰাকী বাছনিপ্ৰাপ্ত যুৱক-যুৱতীক ঋণ প্ৰদানৰ বিষয়েও কেবিনেটত সিদ্ধান্ত লোৱা হৈছে।

0000000

যোৱা ২৪ ঘণ্টাত বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত অসমৰ বান পৰিস্থিতি কিছু উন্নত হৈছে। শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা ২ লাখ ৪৬ হাজাৰলৈ হ্ৰাস পাইছে। ইপিনে, কাছাৰত এজন লোকৰ মৃত্যু হোৱাৰ পাছত বানত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫লৈ বৃদ্ধি পাইছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি কাছাৰ, কৰিমগঞ্জ, মৰিগাঁও, হোজাই, নগাঁও, ডিমা হাচাও, হাইলাকান্দি আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ কিছু কিছু এলেকা এতিয়াও বানৰ কৱলত আছে। ৩৭৫খন গাঁৱৰ ২২ হাজাৰতকৈও অধিক লোক সম্প্ৰতি ১১২টা সাহায্য শিবিৰত আশ্ৰয় লোৱাৰ লগতে ৫ হাজাৰ হেক্টৰতকৈও অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে।

বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসমৰ লগতে উত্তৰ-পূবৰ ৰাজ্যকেইখনত পাতলীয়াৰ পৰা মজলীয়া আৰু বিজুলী-গাজনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ইপিনে, ৰাজ্যৰ বিভিন্ন স্থানত বানৰ লগতে খহনীয়াৰ সমস্যাই ভাবুকিৰ সৃষ্টি কৰিছে। কোকৰাঝাৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ সৰলপাৰা গাঁৱৰ সৰলভাঙা নৈৰ খহনীয়াই ভালেমান অঞ্চল খহাই নিয়াৰ উপক্ৰম হৈছে। জনসাধাৰণে বিটিআৰ প্ৰশাসন আৰু অসম চৰকাৰক এই সমস্যাৰ সমাধান বিচাৰি আহ্বান জনাইছে। একেদৰে কপিলী নৈৰ বানে যমুনামুখৰ নিকটৱৰ্তী কুম্ভিৰডুবি অঞ্চল ক্ষতিগ্ৰস্ত কৰিছে। অঞ্চলটোৰ ঠায়ে ঠায়ে কেইবাটাও পথ বানে ছিগি পেলোৱাত যাতায়াতৰ সমস্যা হৈছে।

oooooooo

লখিমপুৰ জিলাৰ লগতে শিৱসাগৰ জিলাত অহা ১১ জুনত প্ৰাপ্তবয়স্কসকলৰ বাবে যক্ষ্মা প্ৰতিষেধক প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ বাবে লখিমপুৰ জিলা স্বাস্থ্য বিভাগে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এই কাৰ্যসূচীৰ বাবে ২ লাখ ৩৫ হাজাৰৰো অধিক হিতাধিকাৰীৰ নাম পঞ্জীয়ন কৰা হৈছে। যোৱা পাঁচ বছৰত যক্ষ্মা হোৱা ৰোগীসকলৰ চিকিৎসা সম্পূৰ্ণ হোৱাৰ কমেও এমাহ অতিক্ৰম কৰা, যোৱা তিনি বছৰত সক্ৰিয় যক্ষ্মা ৰোগীৰ সংস্পৰ্শলৈ অহা ব্যক্তিসকলক, ৬০ বছৰৰ উৰ্দ্ধৰ, শৰীৰৰ ভৰ সূচ্যাংক ১৮ কিলোগ্ৰামতকৈ কম থকা লোকক এই অভিযানত সামৰি লোৱা হ'ব। অৱশ্যে ১৮ বছৰৰ তলৰ গৰ্ভৱতী মহিলা তথা দুগ্ধপান কৰাই থকা মহিলাক এই প্ৰতিষেধক প্ৰদান কৰা নহ'ব।

ooooooo

**সমাপ্ত**